# 2021

( Held in 2022 )

# ASSAMESE

Paper : ASM–HC–3016

**( অসমীয়া সাহিত্য প্ৰৱেশ )**

( Honours Course )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ লিখা : ১×১০=১০

(ক) এলাগীৰ জীয়েকৰ নাম কি ?

(খ) মমতাৰ পুতেকৰ নাম কি বুলি 'মমতাৰ চিঠি' কবিতাটিত উল্লেখ আছে ?

(গ) কৃষ্ণকান্ত সন্দিকৈদেৱৰ ব্যক্তিগত পুথিভঁৰালত অসমীয়া ভাষাৰ উপৰি আৰু কিমানটা ভাষাৰ কিতাপ আছে বুলি লেখকে বৰ্ণনা কৰিছে ?

(ঘ) 'জীৱনৰ অমিয়া'ত উল্লেখ কৰা কৰ্তব্য পালন কিহৰ মহামন্ত্ৰ ?

(ঙ) 'মকৰা পেস্কাৰ' শীৰ্ষক প্ৰবন্ধটিত অসমৰ কোনখিনি সময়ৰ বৰ্ণনা পোৱা যায় ?

(চ) টেপুৰামৰ ঘৰ ক'ত ?

(ছ) 'মানুহ শংকৰদেৱ' কোন শ্ৰেণীৰ ৰচনা ?

(জ) 'জীৱন-বৃত্ত'ৰ প্ৰথম প্ৰকাশ কেতিয়া হৈছিল ?

(ঝ) 'প্ৰসংগ-কোষ' কোনে ৰচনা কৰিছিল ?

(ঞ) হেবাং কোন ?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) 'জীৱনৰ অমিয়া' প্ৰবন্ধটিত উল্লেখ থকা দুই শ্ৰেণীৰ মানুহ কি কি ?

(খ) 'সাউদৰ পুতেকে নাও মেলি যায়' উপন্যাসখনৰ মূল চৰিত্ৰটোৰ নাম কি ? পাছলৈ চৰিত্ৰটো কি নামেৰে পৰিচিত হৈছিল ?

(গ) নৱকান্ত বৰুৱাৰ দুখন কাব্যগ্ৰন্থৰ নাম লিখা ।

(ঘ) 'মমতাৰ চিঠি' কবিতাটিত থকা 'শুধ বগা' আৰু 'পখৰা'-ৰ জৰিয়তে কি কথাৰ ইংগিত দিয়া হৈছে ?

(ঙ) অমলা কোন ? তেওঁ কোন কলেজত পঢ়িছিল ?





৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) হীৰেন ভট্টাচাৰ্যৰ 'শৰসন্ধান' কবিতাটিৰ অন্তৰ্নিহিত কথাখিনি বুজাই লিখা ।

(খ) হৰিবল ককায়ে বৰশীৰ বৰ্ছী কেনেধৰণে প্ৰস্তুত কৰিছিল, বুজাই লিখা ।

(গ) নাৰীৰ প্ৰতি শংকৰদেৱৰ মনোভাৱ 'মানুহ শংকৰদেৱ' প্ৰবন্ধত হীৰেন গোহাঁইদেৱে কেনেদৰে বৰ্ণনা কৰিছে, আলোচনা কৰা ।

(ঘ) কৃষ্ণকান্ত সন্দিকৈদেৱে গুৱাহাটী বিশ্ববিদ্যালয়ক তেওঁৰ ব্যক্তিগত পুথিভঁৰালটো দান কৰোঁতে আৰোপ কৰা চৰ্তবোৰ কি কি, চমুকৈ লিখা ।

(ঙ) 'কথা চহকী মাৰ্কিন ডেকাৰ সংগসুখ' প্ৰবন্ধটিত আমেৰিকা শিক্ষাৰ দিশটো কেনেদৰে বৰ্ণনা কৰিছে, লিখা ।

(চ) 'মেকং নৈ দেখিলোঁ' গ্ৰন্থত বৌদ্ধ মূৰ্তি সম্পৰ্কত কি মন্তব্য কৰিছে, চমুকৈ লিখা ।

৪। (ক) 'চম্পাৱতীৰ সাধু'ত অসমীয়া সমাজ-জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, লিখা । ১০

অথবা

(খ) 'সাউদৰ পুতেকে নাও মেলি যায়' উপন্যাসত থকা বৰ্ণনা অনুসৰি বাপুকণৰ শৈশৱ কেনেদৰে পাৰ হৈছিল, লিখা ।

৫। (ক) 'দুখন ভৰি' গল্পটিৰ সত্যেন চৰিত্ৰটিৰ বিষয়ে চমুকৈ লিখা। ১০

*অথবা*

(খ) 'মমতাৰ চিঠি' কবিতাটিত নাৰী মনস্তত্ব কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

৬। (ক) 'মকৰা পেস্কাৰ' ৰচনাখনত প্ৰাক্-স্বাধীনতা কালৰ অসমৰ ৰাজনৈতিক জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, বৰ্ণনা কৰা। ১০

*অথবা*

(খ) 'জীৱন বৃত্ত'ত ভবেন্দ্ৰনাথ শইকীয়াই পিতৃ-মাতৃৰ কথা কেনেদৰে বৰ্ণনা কৰিছে, লিখা।

৭। (ক) 'মেকং নৈ দেখিলোঁ' ভ্ৰমণ কাহিনীখনত হেম বৰুৱাই বেংকক চহৰৰ বৰ্ণনা কিদৰে কৰিছে, আলোচনা কৰা। ১০

*অথবা*

(খ) দেৱকান্ত বৰুৱাৰ 'লাচিত বৰফুকন' কবিতাটিৰ তাৎপৰ্য বিশ্লেষণ কৰা।

★★★